**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :06**-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। ইণ্ডিগ'ৰ বিমান সেৱাৰ বিপৰ্যয়ক লৈ কেন্দ্ৰীয় চৰকাৰৰ তদন্ত ঘোষণা। আজি পৰিস্থিতি সামান্য উন্নত হোৱাৰ সম্ভাৱনা।

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দুদিনীয়া কাৰ্যসূচীৰে হাইলাকান্দি আৰু শিলচৰ ভ্ৰমণ।

৩। ৰাজ্যৰ ২৮ গৰাকী সাহিত্যিকলৈ ২০২৫-২৬ বৰ্ষৰ সাহিত্য বঁটা আৰু পেঞ্চন ঘোষণা।

৪। সমাগত বিধানসভা নিৰ্বাচনত বিজেপিয়ে নতুন প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

*আৰু*

৫। বিশাখাপট্টনমত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ইণ্ডিগ' এয়াৰ লাইন্সৰ বিমান সেৱাৰ বিপৰ্যয়ক লৈ তদন্ত ঘোষণা কৰিছে। ইয়াৰ বাবে এখন চাৰিজনীয়া সমিতি গঠন কৰা হৈছে। ১৫ দিনৰ ভিতৰত এই বিপৰ্যয়ৰ কাৰণ আৰু গাফিলতি সন্দৰ্ভত অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ সমিতিখনক নিৰ্দেশ দিয়া হৈছে। সমিতিখনে বিমান পৰিবহণ সংস্থাটোৰ কৰ্মচাৰী, পাইলটকে ধৰি কৰ্তৃপক্ষৰ অৱহেলা সন্দৰ্ভতো তদন্ত কৰিব।

ইপিনে, অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ'ৰ বিমান সেৱা আজি সামান্য উন্নত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰৰ মূল উদ্দেশ্য হৈছে বিমানবন্দৰত সৃষ্টি হোৱা অসুবিধাজনক পৰিস্থিতি নিয়ন্ত্ৰণ কৰা আৰু এই ক্ষেত্ৰত সকলো অংশীদাৰৰ সৈতে সক্ৰিয়ভাৱে যোগাযোগ ৰক্ষা কৰা হৈছে। নতুন দিল্লীত সাংবাদিকৰ আগত শ্ৰীনাইডুৱে কয়, যে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে সকলো বিমানবন্দৰ আৰু বিমান পৰিবহণ সংস্থাৰ সৈতে যোগাযোগ ৰক্ষা কৰি শিশু, মাতৃ, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে।

সমগ্ৰ দেশতে ইণ্ডিগ'ৰ বহুসংখ্যক বিমানৰ সেৱা বাতিল হোৱাৰ ফলত যাত্ৰীসকলে সন্মুখীন হোৱা অসুবিধাৰ পৰিপ্ৰেক্ষিতত ইণ্ডিগ'ৰ মুখ্য কাৰ্যবাহী বিষয়া পিটাৰ এলবাৰ্ছে ক্ষমা বিচাৰিছে। এটা ভিডিঅ' বাৰ্তাত শ্ৰীএলবাৰ্ছে কয়, যে বিগত কেইটামান দিনত বিমান পৰিবহণ সংস্থাটোৱে গুৰুতৰ পৰিচালন সমস্যাৰ সন্মুখীন হৈছে, যাৰ ফলত বিশেষকৈ কালিৰ দিনটোত এহেজাৰৰো অধিক বিমান বাতিল কৰিবলগীয়া হয়। অহা ১০ৰ পৰা ১৫ ডিচেম্বৰৰ ভিতৰত ইণ্ডিগ'ৰ বিমান সেৱা পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিব বুলি মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে আশ্বাস দিয়ে।

দেশৰ ব্যক্তিগত খণ্ডৰ বৃহত্তম বিমান পৰিবহণ সংস্থা ইণ্ডিগ' এয়াৰলাইন্সৰ পাইলটসকলৰ অসহযোগিতাকে ধৰি বিভিন্ন কাৰণত কালিও সমগ্ৰ দেশতে পৰিবহণ সংস্থাটোৰ বিমান সেৱা অচল হৈ থকাত যাত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ উপৰি ডিব্ৰুগড়, লখিমপুৰ, যোৰহাট, তেজপুৰ আৰু ইটানগৰৰ সমীপৰ হলংগি বিমানবন্দৰৰ পৰা চলাচল কৰা ইণ্ডিগ'ৰ কেইবাখনো বিমানৰ যাত্ৰা বাতিল হয়। ইণ্ডিগ' কৰ্তৃপক্ষই তেওঁলোকৰ বিমানসমূহৰ যাত্ৰা বাতিল অথবা সময়সূচী সলনি সন্দৰ্ভত কোনো আগতীয়া তথ্য প্ৰকাশ নকৰাৰ বাবে বিমানবন্দৰত বিশৃংখলতাৰ সৃষ্টি হয়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দুদিনীয়া ভ্ৰমণসূচীৰে আজি শিলচৰলৈ যাব। তেওঁ হাইলাকান্দি আৰু শিলচৰত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে শিলচৰত উপস্থিত হৈ হাইলাকান্দিলৈ যাব আৰু তাত দিনৰ ভাগত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব। কাইলৈও মুখ্যমন্ত্ৰীয়ে কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। এই সন্দৰ্ভত শিলচৰৰ পৰা এয়া আমাৰ সংবাদদাতা আঁখীৰাণী দাস-

*(বাইট ঃ দাস)*

০০০০০০

ৰাজ্য চৰকাৰে ২০২৫-২৬ বৰ্ষৰ বাবে সাহিত্য বঁটা আৰু সাহিত্য পেঞ্চন ঘোষণা কৰিছে। এইবাৰ মুঠ ১৮ গৰাকী সাহিত্যিকে সাহিত্য বঁটা লাভ কৰাৰ লগতে ১০ গৰাকী সাহিত্যিকলৈ সাহিত্য পেঞ্চন আগবঢ়োৱা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই কথা ঘোষণা কৰে। তেওঁ লগতে অসমীয়া সাহিত্য জগতলৈ অৰিহণা যোগোৱা এই সাহিত্যিক আৰু পেঞ্চনাৰসকলক শুভেচ্ছা জনায়। ২০২৫-২৬ বৰ্ষৰ সাহিত্য বঁটা লাভ কৰা সকলৰ ভিতৰত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, ড° সূৰ্যকান্ত হাজৰিকা, কিশোৰী মোহন দাস, অৰ্পণা কোঁৱৰ, আশুতোষ দাস, গুৰমাইল সিং, সুৱৰ্ণা শইকীয়াকে ধৰি আন কেইবাগৰাকী সাহিত্যিক আছে। এই বঁটা লাভ কৰি অসম চৰকাৰৰ জনসংযোগ বিভাগৰ প্ৰাক্তন বিষয়া তথা সুলেখক গুৰমাইল সিঙে তেওঁৰ অনুভৱ ব্যক্ত কৰে-

বাইট

সাহিত্যিকসকলক বঁটাৰ লগতে ৫০ হাজাৰকৈ টকা প্ৰদান কৰা হ'ব। ইপিনে, সাহিত্য পেঞ্চন লাভ কৰাসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ লাভ কৰিব। কাইলৈ বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঁঞিৰ জন্মদিৱস উপলক্ষে কটন বিশ্ববিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত সাহিত্য বঁটা আৰু পেঞ্চন প্ৰদান কৰা হ'ব। দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি কোহিমাত ভাৰ্চুৱেল ব্যৱস্থাৰে বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০২ কোটি টকা ব্যয়সাপেক্ষ ৫টা প্ৰকল্পৰ উদ্বোধন আৰু ৪৪৩ কোটি টকা ব্যয় সাপেক্ষ ১১টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তিনিদিনীয়া ভ্ৰমণসূচীৰে নাগালেণ্ডলৈ অহা মন্ত্ৰীগৰাকীয়ে কালি হৰ্নবিল মহোৎসৱৰ অংশ হিচাপে ৰাজ্যখনৰ টুঅ'ফেমা গাঁৱত আংগামী নগাসকলৰ পৰম্পৰাগত কাৰ্যসূচীত অংশ লয়।

শ্ৰীসিন্ধিয়াই প্ৰকল্পসমূহ উদ্বোধন কৰি কয়, যে উত্তৰ-পূৰ্বাঞ্চলত কৌশলগত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে গুৰুত্বপূৰ্ণ পথ কৰিড'ৰ আৰু মূল পথেৰে বিমান বন্দৰলৈ যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰূপান্তৰকৰণৰ দৰ্শনৰ কথা উল্লেখ কৰি শ্ৰী সিন্ধিয়াই কয়, যে এই ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ সহযোগিতাত কেন্দ্ৰীয় চৰকাৰে **অষ্টলক্ষ্মী** দৃষ্টিভংগীৰ প্ৰসাৰৰ বাবে অভিলাষী ব্যৱস্থা গ্ৰহণ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ সামূহিক উন্নয়নৰ ৰূপৰেখা প্ৰস্তুতৰ বাবে মুখ্যমন্ত্ৰী সকলৰ অধ্যক্ষতাত ৮টা উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনী গঠন কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

oooooo

সমাগত বিধানসভা নিৰ্বাচনত বিজেপিয়ে নতুন প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। উমৰাংছুত কালি আয়োজিত অনুষ্ঠানত অংশ লোৱাৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কালি কয়, যে এই নিৰ্বাচনত মহিলা আৰু যুৱ শক্তিক প্ৰাধান্য দিয়া হ'ব। দলটোক তৰুণৰ শক্তিৰে শক্তিশালী কৰি তোলাৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তদুপৰি সৰহসংখ্যক আসনতে বিজেপি আৰু অগপয়ে বুজা বুজিৰে প্ৰতিদ্বন্দ্বিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। অগপৰ সৈতে ইতিমধ্যে আসন বুজাবুজি সন্দৰ্ভত আলোচনা আগবাঢ়িছে বুলি তেওঁ কয়। শীঘ্ৰেই ৰাজ্যিক বিজেপিয়ে আনুষ্ঠানিকভাৱে অগপৰ সৈতে আসন বুজাবুজিক লৈ আলোচনা কৰিব বুলি তেওঁ উল্লেখ কৰে। একেদৰে ৰাভা হাচং আৰু গণ শক্তিৰ সৈতে মিত্ৰতাৰ বিষয়টো অহা ১৫ জানুৱাৰীৰ পূৰ্বে চূড়ান্ত কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

oooooo

ভাৰতৰ সংবিধান প্ৰণেতা, সমাজ সংস্কাৰক, আইনজ্ঞ তথা ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড° বি আৰ আম্বেদকাৰৰ আজি ৭০ সংখ্যক মৃত্যু বাৰ্ষিকীত সমগ্ৰ দেশে তেওঁক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ড° আম্বেদকাৰৰ মৃত্যু বাৰ্ষিকী উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি পুৱা নতুন দিল্লীৰ সংসদভৱন চৌহদৰ প্ৰেৰণাস্থলত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবিধান প্ৰণেতাগৰাকীৰ মৃত্যু বাৰ্ষিকীত ৰাজ্যবাসীৰ হৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

oooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত গঠন কৰা বিশেষ তদন্তকাৰী গোট এছ্ আই টিয়ে এই গোচৰৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰিছে আৰু ১২ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা দাখিল কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এছ্ আই টিয়ে ভালেসংখ্যক সাক্ষ্য প্ৰমাণ লাভ কৰাৰ লগতে প্ৰায় তিনি হাজাৰ পৃষ্ঠাৰ অভিযোগনামা সাজু কৰিছে আৰু নিৰ্ধাৰিত সময়ৰ পূৰ্বেই ইয়াক দাখিল কৰা হ'ব।

***-বাইট-***

oooooo

অধ্যাপক ধ্ৰুৱ ভট্টাচাৰ্যই তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে বিগত প্ৰায় আঢ়ৈ মাহ ধৰি বিশ্ববিদ্যালয়খনত সৃষ্টি হোৱা অচলাৱস্থাৰ সাময়িকভাৱে অৱসান ঘটিছে। ভাৰপ্ৰাপ্ত উপাচাৰ্যগৰাকীৰ দায়িত্ব গ্ৰহণৰ পাছত অহা ৮ ডিচেম্বৰৰ পৰা বিশ্ববিদ্যালয়খনত হ'বলগীয়া সান্মাষিকৰ পৰীক্ষাসমূহ নিৰ্ধাৰিত সূচী অনুসৰি অনুষ্ঠিত হোৱাটো নিশ্চিত হৈছে। বিশ্ব বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী আৰু প্ৰতিবাদী ছাত্ৰসমাজে সৰ্বসন্মতি ক্ৰমে কম্পিউটাৰ ছায়েন্স এণ্ড ইঞ্জিনীয়াৰিং বিভাগৰ অধ্যাপকগৰাকীক মনোনীত কৰাৰ পাছতে তেওঁ ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ দায়িত্ব গ্ৰহণ কৰে। উপাচাৰ্যৰ দায়িত্ব গ্ৰহণ কৰি শ্ৰী ভট্টাচাৰ্যই ছাত্ৰ সমাজ আৰু সাংবাদিকৰ আগত বিশ্ববিদ্যালয়খনক প্ৰগতিৰ দিশে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সকলো প্ৰচেষ্টা চলাব বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, ১৯৯৩ চনৰ তেজপুৰ বিশ্ববিদ্যালয় আইনৰ দুই নম্বৰ অনুচ্ছেদৰ ছয় নম্বৰ দফা অনুসৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকী এমাহতকৈ অধিক দিন দায়িত্বৰ পৰা আঁতৰি থাকিলে জ্যেষ্ঠ অধ্যাপকগৰাকীয়ে ভাৰপ্ৰাপ্ত অধ্যাপক দায়িত্ব গ্ৰহণ কৰিব পাৰে। ভাৰপ্ৰাপ্ত উপাচাৰ্যগৰাকীৰ দায়িত্ব গ্ৰহণৰ পাছত ছাত্ৰসমাজ আশ্বস্ত হৈছে যদিও উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে।

উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য সম্ভুনাথ সিঙৰ বিৰুদ্ধে উত্থাপিত হোৱা অনিয়মৰ পৰিপ্ৰেক্ষিতত নিৰপেক্ষ তদন্তৰ দাবী জনাই বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰী সমাজে চলোৱা প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত ইতিপূৰ্বে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক শীঘ্ৰেই হস্তক্ষেপ কৰিবলৈ অনুৰোধ কৰিছিল। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যগৰাকী দীৰ্ঘদিন ধৰি আঁতৰি থকাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰী আৰু প্ৰশাসনিক ব্যৱস্থাৰ যাতে কোনো ক্ষতি নহয় তাৰপ্ৰতি লক্ষ্য ৰাখি ভাৰপ্ৰাপ্ত উপাচাৰ্য নিযুক্তিৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছিল।

সাংসদ অজিত কুমাৰ ভূঞাই কিছুদিন পূৰ্বে সংসদত এই বিষয়টো উত্থাপন কৰিছিল আৰু বিশ্ববিদ্যালয়খনৰ সুস্থ-শৈক্ষিক পৰিৱেশ ওভতাই অনাৰ দাবীৰে ৰাজ্যপাললৈ পত্ৰ প্ৰেৰণ কৰিছে।

oooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মৃণ্ময় হালৈৰ সৈতে এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ মঙলদৈৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

oooooo

ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ ল'ব। অনুষ্ঠানত কেইবাগৰাকীও কৃষকে নিজৰ অভিজ্ঞতা বিনিময় কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

oooooo

ভাৰত আৰু দক্ষিণ আফ্রিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্রিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন দিনৰ এক বাজি ৩০ মিনিটত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিছে।  দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে টেষ্ট শৃংখলাত শোচনীয় পৰাজয়ৰ পাছত ভাৰতে আজি এদিনীয়া শৃংখলাটো দখলৰ বাবে আপ্রাণ চেষ্টা চলাব।

oooooo

News Paper REV/RNU (06-12-2025) MORN

ৰুছ-ভাৰতৰ বন্ধুত্ব আৰু চুক্তি স্বাক্ষৰ, উমৰাংচুত অত্যাধুনিক ক্রিকেট ষ্টেডিয়াম উদ্বোধন, অধ্যাপক ধ্রুৱ ভট্টাচাৰ্যক তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাৰপ্রাপ্ত উপাচাৰ্যৰ দায়িত্ব প্রদান আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্রকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্রথম পৃষ্ঠাত প্রকাশ পাইছে।

সামুদ্রিক সহযোগিতাৰ ক্ষেত্রত ভাৰত আৰু ৰাছিয়াৰ মাজত দুখন চুক্তি স্বাক্ষৰ হোৱাৰ এটা বাতৰি অসমীয়া প্রতিদিন কাকতে প্রকাশ কৰিছে।

ইণ্ডিগ'ৰে কালি এহেজাৰ বিমানৰ উৰণ বাতিল কৰাৰ এটা বাতৰি দি আছাম ট্রিবিউন কাকতে প্রকাশ কৰিছে। দৈনিক অগ্রদূত কাকতেও এই বাতৰি প্রকাশ কৰিছে।

কেন্দ্রীয় ড'নাৰ মন্ত্রী জ্যোতিৰাদিত্য সিন্ধিয়াই নাগালেণ্ডত ৬৪৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্রকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই বাতৰি দ্য ছেণ্টেনেল কাকতৰ।

জলজীৱন তিনি হাজাৰ ৫০০ কোটি টকা অনাদায়, ঠিকাদাৰৰ হাহাকাৰ শিৰোনামেৰে জলজীৱন মিছনৰ ঠিকাদাৰ কৰ্মচাৰীয়ে কামৰ বাবদ ধন নোপোৱাৰ বাতৰি আমাৰ অসম কাকতে প্রকাশ কৰিছে।

ৰাজ্যৰ ১৮ গৰাকী সাহিত্যিকলৈ বঁটা, ১০ গৰাকীলৈ পেন্সন আগবঢ়োৱাৰ এটা বাতৰি দৈনিক অসম কাকতৰ লগতে আনবোৰ কাকতে প্রকাশ কৰিছে।

জুবিন গাৰ্গৰ হত্যাৰ তদন্ত সম্পূৰ্ণ, শীঘ্রে চাৰ্জশ্বিট দাখিল কৰা হ'ব। মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণাৰে এই বাতৰি অসমীয়া খবৰ আৰু অন্যান্য কাকতেও প্রকাশ কৰিছে।

oooooo

গুৱাহাটীস্থিত অসম শিশু সাহিত্য ন্যাসৰ কাৰ্যালয়ত আজি ন্যাসে নতুনকৈ প্রকাশ কৰি উলিওৱা ৫২ খন গ্রন্থ উন্মোচন কৰা হ'ব। ইয়াৰ  লগতে ন্যাসে অসম ভিত্তিক আয়োজন কৰা পাণ্ডুলিপি প্রতিযোগিতাত পুৰস্কাৰ লাভ কৰা প্রতিযোগিসকলক এই সভাতে পুৰস্কাৰসমূহ প্রদান কৰা হ'ব। অনুষ্ঠানত শিক্ষা মন্ত্রী তথা ন্যাসৰ সভাপতি ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ন্যাসৰ উপ-সভাপতি তথা সু-সাহিত্যিক অৰূপ কুমাৰ দত্ত এই অনুষ্ঠানৰ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বুলি অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামীয়ে জানিবলৈ দিয়ে।

oooooo

অসমৰ দীপান্বিতা দাসে হাংগেৰীত অনুষ্ঠিত আন্তৰ্জাতিক কেটল বেল মাৰাথন ফেডাৰেচনৰ ৬০ মিনিট মাৰাথন শাখাত মাষ্টাৰ অব স্পৰ্ট্‌ছ খিতাপ অৰ্জন কৰিছে। যোৱা ২৮ৰ পৰা ৩০ নৱেম্বৰলৈ এই প্রতিযোগিতা অনুষ্ঠিত হৈছিল আৰু এই খিতাপ লাভ কৰা দীপান্বিতা দাস হৈছে প্রথমগৰাকী ভাৰতীয় মহিলা।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ আশিংকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত  অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ত ঘন কুঁৱলীয়ে আঁৱৰি থাকিব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত